# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-05-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## **HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰ আৰু উত্তৰ প্ৰদেশত ৯৬ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

২। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বিভিন্ন ক্ষেত্ৰত সম্বন্ধ ক্ৰমাৎ সুদৃঢ় হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৩। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ মূল্যায়ন আৰু দুৰ্বল শ্ৰেণীৰ সহায়ৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া নতুন উদ্যমৰ পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে কালি এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱানিশা জম্মু-কাশ্মীৰৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা চলায়।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰু আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰ আৰু উত্তৰ প্ৰদেশত ৯৬ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

শ্ৰীমোদীয়ে আজি পুৱা বিহাৰৰ ৰোহতাছ জিলাৰ বিক্ৰমগঞ্জত ৪৮ হাজাৰ ৫২০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এখন জনসভাতো ভাষণ দিব। ইয়াৰ পাছতে শ্ৰীমোদীয়ে ঔৰংগাবাদ জিলাত ২৯ হাজাৰ ৯৩০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া নবীনগৰ ছুপাৰ তাপবিদ্যুৎ প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ লগতে শক্তি, পথ আৰু ৰে'ল যোগাযোগ খণ্ডৰ সৈতে জড়িত একাধিক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। নবীনগৰ তাপবিদুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'লে বিহাৰ আৰু পূব ভাৰতৰ শক্তি সুৰক্ষা সুনিশ্চিত হ'ব বুলি অনুমান কৰা হৈছে। এই প্ৰকল্পই অঞ্চলটোৰ ঔদ্যোগিক বিকাশ ত্বৰান্বিত কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। শ্ৰীমোদীয়ে লগতে ১১৯ নম্বৰ ক ৰাষ্ট্ৰীয় ঘাইপথৰ পাটনা-আৰা-ছাছাৰাম সংযোগী পথচোৰা চাৰিটা, ৩১৯ নম্বৰ খ ৰাষ্ট্ৰীয় ঘাইপথৰ বাৰাণসী-ৰাচী-কলকাতা সংযোগী পথচোৰা ৬টা আৰু ১১৯ নম্বৰ ঘ ৰাষ্ট্ৰীয় ঘাইপথত ৰামগড়-কচ্ছি-গৰগাহ সংযোগী পথচোৰা ৬টা লেনযুক্ত পথলৈ উন্নীতকৰণকে ধৰি বিভিন্ন পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে গংগা নৈৰ ওপৰত বক্সাৰ আৰু

ভৰৌলি সংযোগী এখন নতুন দলঙৰ নিৰ্মাণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰিব। এহেজাৰ ৩৩০ কোটিৰো অধিক টকা ব্যয়েৰে ৰূপায়ণ কৰা ছ'ন নগৰ-মহম্মদ গঞ্জ সংযোগী তৃতীয় ৰে'লপথটো তেওঁ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

প্ৰধানমন্ত্ৰীয়ে আজি বিয়লি উত্তৰ প্ৰদেশৰ কাণপুৰত ২০ হাজাৰ ৯০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব। শ্ৰীমোদীয়ে অঞ্চলটোৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ লক্ষ্যৰে একাধিক উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰধানমন্ত্ৰী আয়ুষ্মান ৱয় বন্দনা যোজনা, ৰাষ্ট্ৰীয় জীৱিকা মিছন আৰু প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ হিতাধিকাৰীসকলৰ মাজত প্ৰমাণ-পত্ৰ আৰু চেক বিতৰণ কৰিব।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত বিভিন্ন ক্ষেত্ৰত সম্বন্ধ ক্ৰমাৎ শক্তিশালী হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে  প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি নিউজিলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী উইনষ্টন পিটাৰ্ছৰ সৈতে হোৱা বৈঠকত ড° জয়শংকৰে এই কথা প্ৰকাশ কৰে। নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লক্সনৰ শেহতীয়া ভাৰত ভ্ৰমণৰ সাফল্যৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই ভ্ৰমণ কালত দুয়োখন দেশে মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত আলোচনা কৰে আৰু কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে। তেওঁ কয়, যে উভয় দেশে সম্প্ৰতি সেই ভ্ৰমণ কালত যুগুতাই উলিওৱা লক্ষ্যসমূহ পূৰণ কৰাত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ পূৰ্বে শ্ৰীপিটাৰ্ছ কালি দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়।

০০০০০

অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ মূল্যায়ন আৰু দুৰ্বল শ্ৰেণীৰ সহায়ৰ লক্ষ্যৰে গ্ৰহণ কৰিবলগীয়া নতুন উদ্যমৰ পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে কালি  এলানি উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে বিত্তীয় সাহায্য, শিক্ষা, আন্তঃগাঁথনি আৰু ইন্ধনৰ ৰাজ সাহায্য সন্দৰ্ভত শেহতীয়া তথ্য প্ৰকাশ কৰিছে। সেই অনুসৰি ৰাজ্য চৰকাৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ সম্প্ৰসাৰণৰ পৰিকল্পনা কৰিছে আৰু আঁচনিখনত ৩৭ লাখ নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অৰুণোদয় আঁচনিখনক সৰ্ববৃহৎ নগদধন হস্তান্তৰ আঁচনি বুলি অভিহিত কৰি  মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে দেশৰ অন্য ৰাজ্যসমূহেও এই ক্ষেত্ৰত অসমক অনুসৰণ কৰিবলৈ লৈছে। তেওঁ কয়, যে কোনো যোগ্য হিতাধিকাৰী যাতে চৰকাৰৰ কল্যাণমূলক আঁচনিৰ পৰা বাদ পৰি নাযায় তাৰবাবে সত্যাসত্য নিৰূপণৰ প্ৰক্ৰিয়া চলি আছে। চৰকাৰ সমাজৰ সকলো শ্ৰেণীৰ সমকল্যাণৰ প্ৰতি তেওঁ বদ্ধ পৰিকৰ বুলিও মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে ৰাজসাহায্যযুক্ত ৰন্ধন গেছ আঁচনি প্ৰৱৰ্তনৰ যোজা কৰিছে আৰু এই কাৰ্যসূচীৰ নীতি নিৰ্দেশনাৰ মূল্যায়ন কৰি থকা হৈছে। ড° শৰ্মাই লগতে শেহতীয়াকৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ বাবে মুকলি কৰিবলগীয়া জীৱন প্ৰেৰণা নামৰ নতুন কাৰ্যসূচীৰো প্ৰস্তুতিৰ বুজ লয়। এই কাৰ্যসূচীত আৱেদনৰ প্ৰক্ৰিয়া খৰতকীয়া কৰা আৰু বহুল প্ৰসাৰৰ বাবে এটা সুকীয়া অনলাইন প'ৰ্টেল বিকশাই তোলাৰ কাম চলি আছে বুলি তেওঁ উল্লেখ কৰে।

আন্তঃগাঁথনি সন্দৰ্ভত মত প্ৰকাশ কৰি ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহযোগত নিৰ্মাণ কাৰ্য চলি থকা গুৱাহাটী লিংক ৰোড প্ৰকল্পৰ কৌশলগত গুৰুত্বৰ বিষয়ে আলোকপাত কৰে।  বিষয়াসকলক সময়মতে কাম সম্পূৰ্ণ কৰাত গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এনে কৰিলে হেঁচা হ্ৰাস পাই আৰু অৰ্থনৈতিক

কাম-কাজো ত্বৰান্বিত হয়। ড° শৰ্মাই লগতে ছোৱালীৰ উচ্চ শিক্ষাৰ সৈতে জড়িত নিযুত মইনা আঁচনিৰ সফল ৰূপায়ণ সুনিশ্চিত কৰাৰ বাবে বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে আলোচনাত মিলিক হয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে জম্মু আৰু কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে যোৱানিশা জম্মুত এখন উচ্চ-স্তৰীয় বৈঠকত মিলিত হয়। শ্ৰীশ্বাহে লগতে অহা ৩ জুলাইত আৰম্ভ হ'ব লগীয়া বাৰ্ষিক অমৰনাথ যাত্ৰাৰ সুৰক্ষা আৰু অন্যান্য ব্যৱস্থাসমূহৰো পৰ্যালোচনা কৰে। উপ-ৰাজ্যপাল মনোজ সিনহা, সেনাপ্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, জম্মু আৰু কাশ্মীৰৰ মুখ্য সচিব আতাল ডুল্লুৰ উপৰি বিভিন্ন অৰ্ধসামৰিক বাহিনী, আৰক্ষী আৰু চোৰাংচোৱা সংস্থাৰ প্ৰমুখসকল উপস্থিত থকা বৈঠকখনত গৃহমন্ত্ৰী শ্ৰীশ্বাহক নিৰাপত্তা ব্যৱস্থাৰ প্ৰতিটো দিশ সন্দৰ্ভত অৱগত কৰা হয়।

দুদিনীয়া ভ্ৰমণসূচীৰে কালি কেন্দ্ৰীয়শাসিত অঞ্চলটোত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে পুঞ্চত পাকিস্তানৰ আক্ৰমণত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক আজি সাক্ষাৎ কৰিব। তেওঁ লগতে ক্ষতিগ্ৰস্ত সিং-সভা গুৰুদ্বাৰ আদি ধৰ্মীয় স্থানসমূহ পৰিদৰ্শন কৰাৰ উপৰি সৰ্বাধিক ক্ষতিসাধন হোৱা জিলাখনৰ বিষয়াসকলৰ সৈতে এখন বৈঠকতো মিলিত হ'ব। শ্ৰীশ্বাহে পুঞ্চত সীমান্ত সুৰক্ষা বাহিনীৰ শিবিৰত উপস্থিত হৈ জোৱানসকলৰ সৈতে মত বিনিময়ো কৰিব।

০০০০০

কংগ্ৰেছে ন্যূনতম সমৰ্থন মূল্য সন্দৰ্ভত কৃষকসকলক বিপথে পৰিচালিত কৰা বুলি কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে অভিযোগ কৰিছে। বিজেপি নেতাগৰাকীয়ে কংগ্ৰেছৰ শাসন কালত সকলো শস্যৰ ন্যূনতম সমৰ্থন মূল্য উৎপাদন ব্যয়ৰ তুলনাত সামান্য অধিক আছিল কিন্তু বিজেপি চৰকাৰে সমৰ্থন মূল্য যথেষ্ট বৃদ্ধি কৰিছে বুলি দাবী কৰে। তেওঁ কয় যে, চৰকাৰে ন্যূনতম সমৰ্থন মূল্যকে ধৰি কৃষকসকলৰ পাৰিশ্ৰমিকৰ গোটেই ব্যৱস্থাটো শক্তিশালী কৰি তুলিছে। তেওঁ কয়, যে বৰ্তমান চৰকাৰে ন্যূনতম সমৰ্থন মূল্যৰ বাবদ খেতিয়কসকলক ২৩ লাখ কোটি টকা আদায় দিছে। কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ ১০ বছৰীয়া শাসন কালত ন্যূনতম সমৰ্থন মূল্যৰ বাবদ ৭ লাখ কোটি টকাহে আৱণ্টন দিয়া হৈছিল বুলি তেওঁ উল্লেখ কৰে। শ্ৰীচৌহানে কয়, যে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ন্যূনতম সমৰ্থন মূল্যই হওক অথবা আয় বৃদ্ধি বা নতুন প্ৰযুক্তিৰ প্ৰৱৰ্তন সকলো ক্ষেত্ৰতে কৃষকসকলৰ বাবে অভূতপূৰ্ব কাম কৰিছে। মোদী চৰকাৰৰ দিনত দাইল, তৈল বীজ আৰু কঁপাহৰ মূল্য কেইবাগুণো বৃদ্ধি পোৱা বুলি তেওঁ দাবী কৰে। তেওঁ কয়, যে জনসাধাৰণ সৈতে বিচ্ছিন্ন হোৱা কংগ্ৰেছ এতিয়া ভিত্তিহীন অভিযোগ উত্থাপন কৰা একাংশ প্ৰভাৱবিহীন নেতালৈ সীমিত হৈ পৰিছে।

০০০০০

তৃণমূল কংগ্ৰেছে অ'পাৰেচন সিন্দূৰক আওকাণ কৰা বুলি বিজেপিয়ে অভিযোগ কৰিছে। নতুন দিল্লীত দলটোৰ মুখপাত্ৰ শ্বেহজাদ পুনাৱালাই অ'পাৰেচন সিন্দূৰ সন্দৰ্ভত পশ্চিমবংগৰ মন্ত্ৰী উদয়ন গুহই কৰা মন্তব্যক গৰিহণা দিয়ে। তৃণমূল কংগ্ৰেছে ভাৰতীয় সেনা আৰু দেশবাসীক অপমান কৰা বুলি তেওঁ অভিযোগ কৰে। পশ্চিমবংগৰ মন্ত্ৰীগৰাকীৰ মন্তব্যক লজ্জাজনক বুলি অভিহিত কৰি শ্ৰী পুনাৱালাই কয় যে, অ'পাৰেচন সিন্দূৰৰ বাবে আজি সমগ্ৰ দেশে ভাৰতীয় সেনালৈ কৃতজ্ঞতা প্ৰকাশ কৰিছে।

ooooo

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱানিশা চণ্ডীগড়ত অনুষ্ঠিত প্ৰথমখন কোৱালিফেয়াৰত পাঞ্জাব কিংছক ৮ উইকেটত পৰাস্ত কৰি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰে। বেংগালুৰুৱে ১০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মাত্ৰ ১০ অভাৰত দুটা উইকেট হেৰুৱাই ১০৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৪ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০১ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ যোশ হেজেল্‌উড আৰু সুয়শ শৰ্মাই তিনিটাকৈ উইকেট দখল কৰে। সুয়শ শৰ্মাক প্লেয়াৰ অব্‌ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি সন্ধিয়া চণ্ডীগড়ত হ'বলগীয়া এলিমিমেটৰ খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই খেলখনত জয়লাভ কৰা দলটোৱে পহিলা জুনত হ'ব লগীয়া দ্বিতীয়খন কোৱালিফায়াৰত পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। দ্বিতীয়খন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৱে ৩ জুনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**